Press Release

Panchayat and Rural Development, Assam

## Irregularities and misuse of fund in implementation of RD schemes

# Secretaries of GPs suspended

**Guwahati, December 14:** Three Gaon Panchayat Secretaries are suspended today by Hemen Das, Commissioner, Pancahyat and Rural Development, with immediate effect due to irregularities and misuse of fund in implementation of Rural Development schemes under $14^{th}$ Finance Commission and Mahatma Gandhi NREGA. They are Mozamil Hoque, Secretary of Mandia Gaon Panchayat under Mandia Development Block, Barpeta, Sofiur Rahman, Secretary of Jania Gaon Panchayat under Mandia Development Block, Barpeta and Ajoy Kr. Das, Secretary of Haripur Gaon Panchayat under Chenga Development Block, Barpeta.

A team of Panchayat and Rural Development officials visited Barpeta district in the last week to review the progress of implementation of various Rural Development schemes and during their field visit, the irregularities of the said Gaon Panchayats came to light. On the basis of the report submitted by the officials, the Commissioner has taken the measure immediately.

*MRD/ 14-12-2020*

প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## গ্ৰামোন্নয়ন আঁচনি ৰূপায়ণত অনিয়ম আৰু পুঁজিৰ অপব্যৱহাৰ

# তিনি গাঁও পঞ্চায়ত সচিবক নিলম্বন

**গুৱাহাটী ১৪ ডিচেম্বৰঃ** চতুৰ্দশ বিত্তীয় আয়োগ আৰু মহাত্মা গান্ধী এনৰেগাৰ অধীনৰ আঁচনি ৰূপায়ণত সংঘটিত কৰা অনিয়ম আৰু পুঁজিৰ অপব্যৱহাৰৰ বাবে আজি বৰপেটা জিলাৰ অন্তৰ্গত তিনিজন গাঁও পঞ্চায়ত সচিবক তৎকালীনভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰা হৈছে। তেওঁলোক হ'ল—মন্দিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত মন্দিয়া গাঁও পঞ্চায়ত আৰু জনিয়া গাঁও পঞ্চায়তৰ সচিব ক্ৰমে মোজামিল হ'ক আৰু চফিউৰ ৰহমান, আৰু চেঙা উন্নয়ন খণ্ডৰ অন্তৰ্গত হৰিপুৰ গাঁও পঞ্চায়তৰ সচিব অজয় কুমাৰ দাস।

উল্লেখযোগ্য যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়াৰ দল এটিয়ে বৰপেটা জিলাত গ্ৰামোন্নয়ন আঁচনিসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ অৰ্থে যোৱা সপ্তাহত জিলাখন পৰিভ্ৰমণ কৰিছিল। এই ভ্ৰমণৰ সময়ছোৱাত কৰা ক্ষেত্ৰীয় পৰিদৰ্শনৰ কালত উল্লেখিত গাঁও পঞ্চায়ত কেইখনত হোৱা খেলি-মেলিসমূহ পোহৰলৈ আহে আৰু এই সম্পৰ্কত বিষয়াৰ দলটিয়ে দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত বিভাগৰ আয়ুক্ত হেমেন দাসে তৎকালীনভাৱে এই ব্যৱস্থা গ্ৰহণ কৰে।

*এম আৰ ডি/১৪-১২-২০২০*